**অসম বিধান সভা**
**তৰাবিহীন প্ৰশ্ন নং - ৩৭৩**
**উত্তৰ দানৰ তাৰিখ – ১৫/০৭/২০২৬**

তৰাবিহীন প্ৰশ্ন নং – ৩৭৩
বিষয়ঃ অসমৰ বোৱতী জলধাৰাৰ সদ-ব্যৱহাৰ কৰি কৃষি ভূমিত জলসিঞ্চনৰ ব্যৱস্থা ।

বিধায়ক – মোঃ নুৰুল ইছলামঃ

**<u>মাননীয় জলসিঞ্চন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ</u>**

(ক) অসমৰ মাজেৰে বৈ যোৱা মহাবাহু ব্ৰহ্মপুত্ৰ আৰু ইয়াৰ উপনৈ সমূহৰ বুকুৰে কিমান পৰিমাণৰ পানী প্ৰতিবছৰে বৈ যায় ? এই বোৱতী জলধাৰাৰ সদ-ব্যৱহাৰ কৰি অসমৰ এশ শতাংশ কৃষি ভূমিত জলসিঞ্চনৰ ব্যৱস্থা কৰাৰ সম্ভাৱনীয়তা আছে নে ? (বিস্তৃত তথ্য সংলগ্ন কৰিব)।

(খ) অসমৰ মুঠ ভূমিৰ পৰিমাণ কিমান ? ইয়াৰে কিমানখিনি বনাঞ্চল ? কিমানখিনি ভূমি নদীৰ বুকুত অথবা নৈ পৰীয়া অঞ্চলৰ খেতি-বাতিৰ অযোগ্য আৰু কিমানখিনি ভূমি কৃষি যোগ্য ? কৃষিযোগ্য ভূমিৰ ভিতৰত কিমান পৰিমানৰ ভূমিত জলসিঞ্চনৰ ব্যৱস্থা আছে ? (বিস্তৃত তথ্যসহ দিব)।

(গ) জলসিঞ্চনৰ ক্ষেত্ৰত সৰ্বাধিক কম খৰচৰ ব্যৱস্থাটো বোৱতী জলসিঞ্চন ব্যৱস্থা নে আন কোনো ব্যৱস্থা ? (বিস্তৃত তথ্য সংলগ্ন কৰিব)।

(ঘ) অসমৰ বোৱতী জলধাৰাৰ সদ-ব্যৱহাৰ কৰি ৰাজ্যখনৰ এশ শতাংশ কৃষি ভূমিত জলসিঞ্চনৰ ব্যৱস্থা কৰিবলৈ চৰকাৰে এক বিস্তৃত গৱেষণা আৰু পৰিকল্পনা গ্ৰহণৰ বিষয়ে বিবেচনা কৰিব নে ? (বিস্তৃত তথ্যসহ সদনত দাখিল কৰিব)।

**<u>মাননীয় জলসিঞ্চন বিভাগৰ মন্ত্ৰী শ্ৰী পীযুষ হাজৰিকা মহোদয়ে উত্তৰ দিবঃ</u>**

(ক) অসমৰ মাজেৰে বৈ যোৱা মহাবাহু ব্ৰহ্মপুত্ৰ আৰু ইয়াৰ উপনৈ সমূহৰ বুকুৰে কিমান পৰিমাণৰ পানী প্ৰতিবছৰে বৈ যায়, সেই বিষয়টো জলসিঞ্চন বিভাগৰ আওঁতাত নপৰে।

বোৱতী জলধাৰাৰ সদব্যৱহাৰ কৰি অসমৰ ১০০% কৃষিভূমিত জলসিঞ্চনৰ ব্যৱস্থা কৰাৰ সম্ভাৱনীয়তা নাই যদিও ইয়াৰ উপনৈ সমূহৰ পানী ব্যৱহাৰ কৰি অসমৰ বিভিন্ন ঠাইত বোৱতী জলসিঞ্চন আঁচনি আৰু উত্তোলিত জলসিঞ্চন আঁচনিৰ জৰিয়তে জলসিঞ্চনৰ ব্যৱস্থা কৰা হৈছে আৰু যি সমূহ অঞ্চলত বোৱতী পানীৰে জলসিঞ্চনৰ ব্যৱস্থা কৰিব নোৱাৰি, সেইবোৰ ঠাইত নলী নাদ ব্যৱস্থাৰে জলসিঞ্চনৰ ব্যৱস্থা কৰা হয়।

(খ) অসমৰ মুঠ ভূমিৰ পৰিমাণ কিমান, ইয়াৰে কিমানখিনি বনাঞ্চল, কিমানখিনি ভূমি নদীৰ বুকুত অথবা নৈ পৰীয়া অঞ্চলৰ খেতি -বাতিৰ অযোগ্য আৰু কিমানখিনি ভূমি কৃষি যোগ্য, এই বিষয়তো জলসিঞ্চন বিভাগৰ আওঁতাত নপৰে।

বৰ্তমানলৈকে অসমত জলসিঞ্চন বিভাগৰ দ্বাৰা সৰ্বমুঠ ৬.৫২ লাখ হেক্টৰ নেট সিঞ্চন (Net Irrigated Area) কৃষিভূমিত জলসিঞ্চনৰ সুবিধাৰ সৃষ্টি হৈছে আৰু বাৰ্ষিক জলসিঞ্চনৰ আওঁতাধীন কৃষিভূমিৰ পৰিমাণ ৮.৮৬ লাখ হেক্টৰ।

ইয়াৰ বিতং তথ্য অসম বিধানসভাৰ নিৰ্দেশানুসৰি **অনুবন্ধ-১** হিচাপে বিধানসভাৰ ৱেবচাইত "www.cms.neva.gov.in" ত আপলোদ কৰা হ'ল।

(গ) জলসিঞ্চনৰ ক্ষেত্ৰত সৰ্বাধিক কম খৰচৰ ব্যৱস্থাটো বোৱতী জলসিঞ্চন ব্যৱস্থা নহয়। নলী-নাদ আঁচনি সমূহ কম খৰছত হয়। যিবোৰ আঁচনিত প্ৰতি হেক্টৰত ১.৬৯ লাখৰ পৰা ২.৮৫ লাখ টকা খৰছ হয়।

(ঘ) বোৱতী জলধাৰাৰ সদব্যৱহাৰ কৰি অসমৰ ১০০% কৃষিভূমিত জলসিঞ্চনৰ ব্যৱস্থা কৰাৰ সম্ভাৱনীয়তা নাই যদিও বিভিন্ন আঁচনিৰ জৰিয়তে ১০০ শতাংশ কৃষিভূমিত জলসিঞ্চনৰ ব্যৱস্থা কৰিবলৈ চৰকাৰে পৰিকল্পনা কৰি আছে।

XXXXX

অনুবন্ধ-১

**nexure I:**

| Sl. no. | District | IPC NIA (in HA) | IPC AIA (in HA) |
|---|---|---|---|
| 1 | BAJALI | 26597 | 41561 |
| 2 | BAKSA | 19790 | 23027 |
| 3 | BARPETA | 9590 | 14463 |
| 4 | BISWANATH | 16837 | 33243 |
| 5 | BONGAIGAON | 2188 | 3546 |
| 6 | CACHAR | 11443 | 16360 |
| 7 | CHARAIDEO | 3281 | 4771 |
| 8 | CHIRANG | 30739 | 44974 |
| 9 | DARRANG | 17906 | 23757 |
| 10 | DHEMAJI | 2224 | 4429 |
| 11 | DHUBRI | 4650 | 8507 |
| 12 | DIBRUGARH | 12978 | 20996 |
| 13 | DIMA HASAO | 8694 | 8698 |
| 14 | GOALPARA | 10282 | 15484 |
| 15 | GOLAGHAT | 7863 | 12619 |
| 16 | HAILAKANDI | 3733 | 4007 |
| 17 | HOJAI | 34390 | 51166 |
| 18 | JORHAT | 7486 | 10521 |
| 19 | KAMRUP | 25269 | 38741 |
| 20 | KAMRUP(METROPOLITIAN) | 7563 | 11012 |
| 21 | KARBI ANGLONG | 60206 | 61506 |
| 22 | KOKRAJHAR | 29821 | 34097 |
| 23 | LAKHIMPUR | 7755 | 14507 |
| 24 | MAJULI | 4277 | 7347 |
| 25 | MORIGAON | 12132 | 20153 |
| 26 | NAGAON | 38582 | 54685 |
| 27 | NALBARI | 8270 | 14676 |
| 28 | SIBSAGAR | 6088 | 9142 |
| 29 | SONITPUR | 26111 | 40466 |
| 30 | SOUTHSALMARA | 1895 | 3096 |
| 31 | SRIBHUMI | 9216 | 14893 |
| 32 | TAMULPUR | 45225 | 50505 |
| 33 | TINSUKIA | 7210 | 11209 |
| 34 | UDALGURI | 80138 | 105167 |
| 35 | WEST KARBI ANGLONG | 51618 | 52729 |
| | **TOTAL** | **652047** | **886060** |

Rupam S. Kalita

…r Research Officer
…n Department, Assam
…uwahati- 781003